**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।	সৰুসজাইৰ ক্ৰীড়া প্ৰকল্প অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে নামকৰণকে ধৰি অসম মন্ত্ৰীসভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত।
২।	অবৈধ বাংলাদেশী নাগৰিক চিনাক্ত কৰিবলৈ ৰাজ্যৰ গৃহ বিভাগৰ প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষকক সন্দেহজনক নাগৰিকৰ তালিকা প্ৰস্তুতৰ নিৰ্দেশ।
৩।	ৰাষ্ট্ৰপতিৰ শাসনত থকা মণিপুৰত ৪৪ গৰাকী বিধায়কৰ নতুন চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ।
৪।	গুৱাহাটী মহানগৰীত যোৱা নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত। *আৰু*
৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ।

০০০০০০

অসম মন্ত্ৰীসভাই ৰাজ্যৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলত বসবাস কৰা খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তাৰ বাবে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিবলৈ সিদ্ধান্ত লৈছে। কালি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিভিন্ন জিলাৰ আয়ুক্তসকলে দুৰ্গম আৰু বিপদসংকুল স্থানসমূহ চিনাক্ত কৰিব। অৱশ্যে পূৰ্বতে কৰা অপৰাধৰ তথ্য থকা লোকে এনেধৰণৰ অনুজ্ঞা পত্ৰ লাভ নকৰিব। তেওঁ কয়, যে নগাঁও, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, দৰং আদি জিলাৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলৰ থলুৱা লোকসকলক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়া হ'ব। কালি মন্ত্ৰীসভাৰ বৈঠকত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এছ্ আই আৰ ডি আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম সলনিতো অনুমোদন জনোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সেইদৰে এছ্ আই আৰ ডি-ৰ নাম গোলাপ বৰবৰা আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম শেষৰজন দৰঙী ৰজা ধৰ্ম নাৰায়ণৰ নামেৰে জনা যাব।

০০০০০০

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক মন্ত্ৰীসভাৰ কমিটিয়ে ২০২৫-২৬ বিপণন বৰ্ষৰ বাবে ১৪ বিধ খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত কালি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে চৰকাৰে ২০২৫-২৬ বিপণন বৰ্ষৰ বাবে খাৰিফ শস্যৰ মূল্য বৃদ্ধি কৰিছে যাতে খেতিয়কসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰে। যোৱা বছৰৰ তুলনাত ৰামতিলৰ ন্যূনতম সমৰ্থন মূল্য সৰ্বাধিক প্ৰতি কুইণ্টলত ৮২০ টকা বৃদ্ধি কৰা হৈছে। ৰাগীৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ৫৯৬ টকা, কপাহত ৫৮৯ আৰু তিলৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত

৫৭৯ টকা বৃদ্ধি কৰা হৈছে। বিভিন্ন খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়–

**বাইট**

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি ৰাজ্যখনত অবৈধ বাংলাদেশী নাগৰিক চিনাক্ত কৰাৰ বাবে ৰাজ্যৰ গৃহ বিভাগে প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষকক জিলাখনৰ সন্দেহজনক নাগৰিকৰ তালিকা প্ৰস্তুত কৰিবলৈ জৰুৰী নিৰ্দেশ জাৰি কৰিছে। অসম আৰক্ষীয়ে এই পৰ্যন্ত চলোৱা অভিযানত আটক কৰা ডেৰ শতাধিক অবৈধ নাগৰিকক সীমান্ত সুৰক্ষা বাহিনীক গতাই দিয়া হৈছে। কাছাৰৰ পশ্চিম কাটিগড়াৰ জালালপুৰত আৰক্ষীয়ে মঙলবাৰে স্থানীয় ৰাইজৰ সহযোগত ৩০ গৰাকী বাংলাদেশীক আটক কৰে।বাংলাদেশীকেইজনে পশ্চিম কাটিগড়াৰ জালালপুৰ সীমান্তৰে বাংলাদেশত প্ৰৱেশ কৰিবলৈ অটো ৰিক্সাৰে গৈ থকাৰ সময়ত স্থানীয় ৰাইজে এই লোককেইজনক কৰায়ত্ত কৰি আৰক্ষীৰ হাতত গতাই দিয়ে। উল্লেখযোগ্য যে এই লোককেইজনে বহু দিন পূৰ্বে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছিল। অবৈধ বাংলাদেশীকেইজনে ভাৰতৰ বিভিন্ন ৰাজ্যত কাম কৰি আছিল বুলি জানিব পৰা গৈছে। বৰ্তমান লোককেইজন আৰক্ষীৰ জিম্মাত আছে। ধুবুৰী জিলাতো ২২ জন সন্দেহজনক নাগৰিকক আটক কৰি ধুবুৰী বি এন কলেজ আৰক্ষী চকীত তদন্ত অব্যাহত ৰখা হৈছে। ৰাজ্যজুৰি চলোৱা এই অভিযানৰ মাজতে কালি যোৰহাটত অবৈধ বাংলাদেশীৰ বিৰুদ্ধে সমদল উলিওৱা হয়। ইপিনে, সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ দক্ষিণ শালমাৰা মানকাচৰ্ জিলা সমিতিয়ে কালি হাটশিঙিমাৰীত এখন সংবাদমেল অনুষ্ঠিত কৰি অবৈধ বাংলাদেশীক চিনাক্তকৰণ প্ৰক্ৰিয়াত যাতে দেশী জনগোষ্ঠীয় খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি নহয়, সেই কথা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে। কালি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ইমদাদুল ইছলামে এই আহ্বান জনায়।

বাইট

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি সন্দেহযুক্ত বাংলাদেশীক গ্ৰেপ্তাৰ আৰু ৰাজ্যৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। তদুপৰি এই সাক্ষাতকালত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যপাল আচাৰ্যক ৰাজ্যখনৰ উন্নয়ন আৰু অন্যান্য বিষয় সন্দৰ্ভতো অৱগত কৰায়।

০০০০০০

মণিপুৰত ৪৪ গৰাকী বিধায়কে চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ কৰিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে কালি ১০ গৰাকী বিধায়কে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক সাক্ষাৎ কৰে আৰু ৰাজ্যখনত গণতান্ত্ৰিক চৰকাৰ গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। ৰাজভৱনৰ তৰফৰ পৰা জাৰি কৰা এটা প্ৰেছ বিবৃতিত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকলৰ এটা প্ৰতিনিধি দলে ৰাজ্যপালৰ সৈতে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি আৰু ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা বুলি প্ৰকাশ কৰা হৈছে। পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত শান্তি প্ৰক্ৰিয়া আৰম্ভ কৰা আৰু সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ বিষয়ও এই আলোচনাত স্থান পোৱা বুলি কোৱা হৈছে।

প্ৰতিনিধি দলটোৱে লগতে এই বিষয়বোৰৰ সন্দৰ্ভত ৰাজ্যপালৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰে আৰু ৰাজ্যখনত গণতান্ত্ৰিক চৰকাৰ গঠনৰ প্ৰক্ৰিয়া খৰটকীয়া কৰিবলৈ ৰাজ্যপালগৰাকীক আহ্বান জনায়।

ৰাজ্যপালক সাক্ষাৎ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ বিধায়ক থ'কছম ৰাধেশ্যামে কয়, যে ভিন ভিন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় ৪৪ গৰাকী বিধায়কে ৰাজ্যখনত নতুন চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে। অৱশ্যে বিজেপিৰ কেন্দ্ৰীয় নেতৃবৰ্গই বিষয়টো সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

000000

গুৱাহাটী মহানগৰীত যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। আজি পুৱাৰ ভাগত মহানগৰীৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত কৰ্মক্ষেত্ৰলৈ যাত্ৰা কৰা লোকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল বাৰুকৈ অসুবিধাৰ সন্মুখীন হয়। বিদ্যালয় অভিমুখী ছাত্ৰ-ছাত্ৰীসকল বহুসময় ধৰি পথত আবদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। মহানগৰীৰ জটিয়া, কাহিলিপাৰা, হাতীগাঁও, বশিষ্ঠ, ছাৰ্ভে, ৰুক্মিনীগাঁও, অনিল নগৰ, বামুণীমৈদাম, চানমাৰি, বড়িপাৰাৰ উপৰি খানাপাৰাৰ পৰা জালুকবাৰী অভিমুখী ৰাষ্ট্ৰীয় ঘাইপথৰ বহু অংশত পানী জমা হোৱাৰ ফলত সমস্যাৰ সৃষ্টি হয়। কেইবাটাও অঞ্চলত বহু যান-বাহনৰ যান্ত্ৰিক বিজুতিৰ ফলত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে সকীয়াই দিছে।

000000

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আজিৰে পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছইল হেল্‌থ কাৰ্ডৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

লখিমপুৰ জিলাতো আজিৰেপৰা এই অভিযানৰ অধীনত কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ অংশ হিচাপে জিলা প্ৰশাসনৰ বিষয়ববীয়া, কৃষি বিজ্ঞানী আৰু বিভাগীয় বিষয়াসকলে কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস চলাব।

শোণিতপুৰ জিলাত জিলা কৃষি বিভাগ, পশু চিকিৎসা বিভাগ, মীন পালন বিভাগ আৰু জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ ৮টা খণ্ড আৰু বিশ্বনাথ জিলাৰ দুটা খণ্ড সামৰি এই অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ অধীনত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী, সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু আগশাৰীৰ কৃষকসকলক লৈ গঠিত দুটা দলে প্ৰতিদিনে চাৰিখনকৈ গাঁও পঞ্চায়তত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিব।

ধুবুৰী জিলাত আজিৰেপৰা এই অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ১০ টা উন্নয়ন খণ্ডৰ গাঁওসমূহক সামৰি এই অভিযান ৰূপায়ণ কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় তীখা আৰু গুৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মা দুদিনীয়া কাৰ্যসূচীৰে আজি দক্ষিণ শালমাৰা মানকাচাৰ জিলাত উপস্থিত হ'ব। মন্ত্ৰীগৰাকী গুৱাহাটীৰ পৰা মেঘালয়ৰ তুৰা হৈ দিনৰ ১২ বজাত জিলাখনৰ সদৰ হাটশিঙিমাৰীত উপস্থিত হ'ব। মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ মুৰববীৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ পাছত জলজীৱন মিছনৰ তিনিখন আঁচনি পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীয়ে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত পৰিদৰ্শন কৰিব। কাইলৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ, অমৃত সৰোবৰ আৰু বিভিন্ন আঁচনি মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। মুল্লানপুৰত আজি হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কাইলৈ এলিমিনেটৰ খেলৰ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানৰ গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এলিমেনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

**অসম চৰকাৰে ৰাজ্যৰ স্পৰ্শকাতৰ আৰু দূৰ্গম অঞ্চলত বাস কৰা খিলঞ্জীয়া লোকক মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰদান কৰা হব বুলি কালি কেবিনেট বৈঠকত সিদ্ধান্ত লোৱা**

বাতৰিটোৱে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকততে মুখ্য বাতৰিৰ স্থান লাভ কৰিছে। ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা অনান্য সিদ্ধান্ত সমূহো একেটা বাতৰিতে প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। *নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দৈনিক অসম, The Sentinal* আদি কাকতত খিলঞ্জীয়া লোকক মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানত অগ্ৰাধিকাৰ দিয়াৰ বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে উত্থাপন কৰা অভিযোগৰ পাছত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি পোনপ্ৰথমবাৰৰ চৰকাৰী নীতি নিয়ম অনুসৰিয়ে পাকিস্তানলৈ গৈছিলো বুলি স্পষ্টীকৰণ প্ৰদান কৰিছে। এই বাতৰিটোক *অসমীয়া প্ৰতিদিন* কাকতৰ লগতে প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ উচ্চতম ন্যায়ালয়ে অসম মানৱ অধিকাৰ আয়োগক ৰাজ্যত আৰক্ষীৰ দ্বাৰা সংঘটিত ভুৱা এনকাউণ্টাৰ অভিযোগৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া বাতৰিটো *দ্যা আচাম ট্ৰিবিউন* কাকতত মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে। ৰাজ্যজুৰি বাংলাদেশীৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানক কেন্দ্ৰ কৰি সৰৱ হৈ পৰিছে এ আই ইউ ডি এফ দল । বাংলাদেশীৰ নামত ভাৰতীয় লোকক হাৰাশাস্তি কৰাৰ অভিযোগ তুলি বুধবাৰে এ আই ইউ ডি এফ দলৰ এটা প্ৰতিনিধি দলে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে। এই বাতৰিটোক 'খেদ ঐ খেদ, বিদেশী খেদ' শিৰোনামেৰে *আমাৰ অসম* কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। সনদেহজনক নাগৰিকক গ্ৰেপ্তাৰৰ দাবীত বীৰ লাচিত সেনা নামৰ এটা সংগঠনে কালি যোৰহাটত ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা বাতৰিটো *অসমীয়া খবৰ* কাকতত আলোকচিত্ৰসহ প্ৰকাশ কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই অহা দুই তিনি দিনলৈ ৰাজ্যৰ অধিকাংশ জিলাত প্ৰচুৰ বৃষ্টিপাতৰ আগজাননী দিয়া এটা বাতৰিয়ে *দৈনিক অগ্ৰদূত* কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা পৰিলক্ষিত হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ' এপৰ লগতে ফে'চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

০০০০০০

সমাপ্ত